# কানৱাল ৰাম আৰু অন্যান্য

# বনাম

# হিমাচল প্ৰদেশ প্ৰশাসন

১৯ আগষ্ট ১৯৬৫ ।

( ন্যায়াধীশ এ. কে. চৰকাৰ, ৰঘুবাৰ দয়াল আৰু ভি. ৰামস্বামী )

*ভাৰতীয় দণ্ড বিধি আইন ( ১৮৬০ চনৰ আইন ৪৫),ৰ ধাৰা ৪৯৪, ১০৯,- দ্বিবিবাহ আৰু তাৰ বাবে প্ৰৰোচিত- অভিযুক্তৰ স্বীকাৰোক্তি দ্বিতীয় বিবাহৰ ক্ষেত্ৰত পৰ্যাপ্ত প্ৰমাণ হয়নে৷*

কে নামৰ এগৰাকী মহিলাই হিন্দু বিবাহ আইন ১৯৫৫ৰ ধাৰা উলংঘা কৰি দ্বিতীয় বাৰৰ বাবে বিবাহ পাশত আৱদ্ধ হোৱাৰ অভিযোগ উত্থাপন কৰা হৈছিল,আৰু অভিযুক্ত দ্বিতীয় স্বামীৰ সৈতে ভাৰতীয় দণ্ড বিধিৰ ৪৯৪ নং ধাৰাৰ অধীনত এই অপৰাধত দোষী সাব্যস্ত হৈছিল। তেওঁৰ দুজন আত্মীয়ক ওপৰোক্ত অপৰাধটো প্ৰৰোচিত কৰাৰ বাবে দোষী সাব্যস্ত কৰা হৈছিল। বিচাৰ আদালতৰ লগতে হিমাচল প্ৰদেশৰ ন্যায়িক আয়ুক্তই কৈছিল যে দ্বিতীয় বিবাহ প্ৰমাণ কৰিবলৈ হাজিৰ কৰা একমাত্ৰ সাক্ষীৰ প্ৰমাণ, প্ৰমাণ কৰাত ব্যৰ্থ হৈছিল কিন্তু ন্যায়িক আয়ুক্তই কে আৰু অভিযুক্ত দ্বিতীয় স্বামীয়ে কৰা কিছুমান স্বীকাৰোক্তিৰ ওপৰত ভিত্তি কৰি আপীলকাৰী সকলক দোষী সাব্যস্ত কৰিছিল। এই আদালতত আপীল কৰাত প্ৰতিষ্ঠিত হৈছিল যে-

কৈছিল: দ্বি-বিবাহ গোচৰৰ ক্ষেত্ৰত দ্বিতীয় বিবাহৰ সত্যতাক তথ্যৰ দ্ধাৰা প্ৰমাণ কৰিব লাগিব। প্ৰয়োজনীয় ৰীতি-নীতিৰে বিবাহৰ সকলো অনুষ্ঠানবোৰ সম্পন্ন কৰা বুলি প্ৰমাণিত হ'ব লাগিব। অভিযুক্তৰ দ্বাৰা বিবাহৰ স্বীকাৰোক্তি যে দ্বি-বিবাহ বা ব্যভিচাৰৰ অপৰাধ প্ৰমাণ কৰাৰ তথ্য নহয়। [৫৪১পি-জি]

ভাউৰাও  শংকৰ লোখাণ্ডে বনাম মহাৰাষ্ট্ৰ ৰাজ্য, [১৯৬৫] ২ এছ. চি. আৰ. ৮৩৭ৰ ওপৰত নিৰ্ভৰ কৰিছিল ।

এমপ্ৰেছ বনাম পীতাম্বুৰ সিং, (১৮৮০) আই. এল. আৰ. ৫ চি এ এল. ৫৬৬,

এমপ্ৰেছ বনাম কাল্লু, (১৮৮২) আই. এল. আৰ. ৫ সকলো ২৩৩ আৰু

মাৰিয়া বনাম মিলাৰ, ৪ বুৰৰ ২০৫৭-৯৮ই. আৰ. ৭৩,ত উল্লেখ কৰা হৈছে,

আৰ. বনাম ৰবিনছন, (১৯৩৮) ১ এ. ই. আৰ. ৩০১, এ পৃথক কৰে ।

**ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ : ফৌজদাৰী আপীলনং ১৬৭/ ১৯৬৩।**

ফৌজদাৰী আপীল নং ৭/১৯৬৩ গোচৰত ন্যায়িক আয়ুক্ত আদালত হিমাচল প্ৰদেশৰ ১৯৬৩ চনৰ ৩১  জুলাইত প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা বিশেষ অনুমতিৰ বাবে কৰা আপীল।

এছ. চি. আগৰৱালা, আৰ. কে. গাৰ্গ আৰু ডি. পি. সিং, আপীলকাৰী সকলৰ  হৈ।

কে. এল. হাথী আৰু বি. আৰ. জি. কে. আচাৰ উত্তৰদাতাৰ হৈ ।

আদালতৰ ৰায়টো ন্যায়াধীশ চৰকাৰে প্ৰদান কৰে ।

এই আপীল দ্বি-বিবাহৰ বাবে দোষী সাব্যস্ত হোৱা আৰু ভাৰতীয় দণ্ড বিধিৰ আইনৰ ৪৯৪ আৰু ১০৯ নং ধাৰাৰ অধীনত প্ৰৰোচিতকৰাৰ বাবে উদ্ভৱ হয়। বিচাৰাধীন আদালতে অভিযুক্ত ব্যক্তি সকলক নিৰ্দোষী সাব্যস্ত কৰিছিল কিন্তু আপীলৰ ভিত্তিত হিমাচল প্ৰদেশৰ ন্যায়িক আয়ুক্তই তেওঁলোকক দোষী সাব্যস্ত কৰিছিল। সেয়েহে এই আবেদন কৰা হৈছিল।

মূলতঃ চাৰিজন ব্যক্তিক অভিযুক্ত কৰা হৈছিল, কইনা কুবজা, দৰা কানৱাল ৰাম, হীৰানন্দ আৰু চিচিয়া দুয়োজন কইনাৰ সম্পৰ্কীয়, পিছৰ দুজনক ধাৰা ৪৯৪ৰ পৰিসৰৰ অধীনত পঢ়া ধাৰা ১০৯ৰ অধীনত অভিযুক্ত কৰা হৈছিল। অভিযোগকাৰী সাধৰামৰ অভিযোগৰ ওপৰত এই অভিযোগ দাখিল কৰা হৈছিল যাৰ সৈতে কুবজা আগতে বিবাহ পাশত আৱদ্ধ হৈছিল। অভিযোগকাৰীয়ে কুবজাৰ মাতৃ হিৰোকো জড়িত কৰিছিল কিন্তু দণ্ডাধীশে তেওঁক দোষমুক্ত কৰিছিল। হীৰানন্দৰ এই আদালতত আপীল বিচাৰাধীন হৈ থাকোতে মৃত্যু হৈছিল।

১৯৪০-৪১ চনত সাধৰাম কুবজাৰ সৈতে বিবাহ পাশত আৱদ্ধ হৈছিল। আপীলকাৰী কানৱাল ৰাম আৰু কুবজাৰ মাজত বিবাহ ১৯৫৫ চনৰ ছেপ্টেম্বৰত হৈছিল বুলি কোৱা হয়। সেই সময়ত হিন্দু বিবাহ আইন, ১৯৫৫ কাৰ্যকৰী হৈছিল আৰু এই আইনৰ অধীনত কোনো পতি বা পত্নীৰ জীৱিত কালত এজন হিন্দুৰ দ্বিতীয় বিবাহ নিষিদ্ধ কৰিছিল। পক্ষ বোৰ হিমাচল প্ৰদেশৰ অন্তৰ্গত এখন গাওঁৰ আছিল যাৰ মাজত প্ৰেইনা নামৰ বিবাহৰ এক পৰম্পৰাগত ৰীতিক স্বীকৃতি দিয়া হয়। দুয়োখন বিবাহ সেই পৰম্পৰাগত ৰীতি অনুসৰি সম্পন্ন কৰা হৈছিল। সাধৰামৰ সৈতে কুবজাৰ বিবাহ যদিও প্ৰত্যাহ্বান জনিত আছিল এতিয়া গ্ৰহণ কৰা হৈছে। একমাত্ৰ প্ৰশ্নটো হ'ল কুবজা আৰু কানৱালৰামৰ মাজত কুবজাৰ দ্বিতীয় বিবাহ প্ৰমাণিত হৈছে নেকি।

তথ্য মতে এই পৰম্পৰাগত বিবাহৰ বাবে নিম্নলিখিত অনুষ্ঠানবোৰ অত্যাৱশ্যকীয়। প্ৰথমে দৰাৰ কিছু সম্পৰ্কীয় মানুহ কইনাৰ ঘৰলৈ যায় আৰু তাইক "সুহাগ" প্ৰদান কৰে। তাৰ পিছত, প্ৰিনু বুলি কোৱা কইনাগৰাকীৰ সম্পৰ্কীয়ই তাইক দৰাৰ ঘৰলৈ লৈ আহে। তাত দৰাৰ ঘৰৰ দুৱাৰত এটা পাত্ৰত মুদ্ৰাবোৰ ৰখা হয় আৰু তাৰ পিছত পূজা-পাতল অনুষ্ঠিত কৰা হয়। কইনাগৰাকীয়ে তাৰ পিছত পাত্ৰটো উলিয়াই পৰিয়ালৰ পাকঘৰত থয় আৰু তাত প্ৰণাম কৰে। তাৰ পিছত কইনাই শাহু –শহুৰ আৰু পৰিয়ালৰ আন জ্যেষ্ঠসকলক প্ৰণাম কৰে। শেষত ভোজৰ লগে লগে অনুষ্ঠানটো শেষ হয়। অভিযোগকাৰী সাধৰামে নিজেই স্বীকাৰ কৰিছিল যে প্ৰৱেশদ্বাৰত পূজা আৰু কইনাগৰাকীয়ে পাত্ৰটো উঠোৱাৰ পিছত পাকঘৰত থৈ নমস্কাৰ কৰাটোবাধ্যতামূলক অনুষ্ঠান আছিল। তেওঁ লগতে কয়, "যদি এই অনুষ্ঠানবোৰৰ কোনো এটা সম্পন্ন কৰা নহয়, তেন্তে বিবাহ সম্পূৰ্ণ নহয়।"

এতিয়া কুবজা আৰু কানৱালৰামৰ বিবাহত পালন কৰা অনুষ্ঠানবোৰৰ বিষয়ে কোৱা একমাত্ৰ সাক্ষীজনে কৈছিল যে চিচিয়াই সুহাগলৈ আহিছিল আৰু হীৰানন্দে প্ৰিনু হিচাপে আছিল। তেওঁ আন কোনো অনুষ্ঠানৰ কথা উল্লেখ কৰা নাছিল যাৰ বিষয়ে আমি আগতে উল্লেখ কৰিছিলো।

আপীলকাৰী সকলৰ বাবে এইটো দাবী কৰা হৈছিল যে কুবজা আৰু কানৱালৰামৰ বিবাহ সম্পন্ন হোৱা বুলি দেখুৱাবলৈ এই প্ৰমাণ যথেষ্ট নহয়। আমি ভাবো এই বিবাদটো ন্যায়সঙ্গত। ভাউৰাও শংকৰ লোখাণ্ডে বনাম মহাৰাষ্ট্ৰ ৰাজ্য (১) ত এই ন্যায়ালয়ে কৈছিল যে বিবাহ প্ৰমাণিত নহয় যেতিয়ালৈকে ইয়াৰ বাবে প্ৰয়োজনীয় ৰীতি-নীতিৰ অনুষ্ঠানবোৰ সম্পন্ন কৰা হোৱা বুলি প্ৰমাণিত নহয়।

বিবাহ প্ৰমাণ কৰিব লৈ মাতি অনা সাক্ষীৰ প্ৰমাণৰ পৰা দেখা গৈছিল যে বিবাহৰ বাবে প্ৰয়োজনীয় অনুষ্ঠানবোৰ পালন কৰা হোৱা নাছিল। সেয়েহে সেই প্ৰমাণে দোষীসাব্যস্ত হোৱাৰ ন্যাৰ্যতা প্ৰদান কৰিব নোৱাৰে। বিচাৰ আদালতেও একে দৃষ্টিভংগী লৈছিল। বিদ্বান ন্যায়িক আয়ুক্তজনেও বেলেগ দৃষ্টিভংগী লোৱা নাছিল।

অৱশ্যে বিদ্বান ন্যায়িক আয়ুক্তজনে ভাবিছিল যে আগতে উল্লেখ কৰা বিবাহ অনুষ্ঠানৰ ৰীতি-নীতিবোৰ প্ৰমাণৰ উপৰিও আন কিছুমান প্ৰমাণ আছে যিয়ে দ্বিতীয় বিবাহখন প্ৰমাণ কৰিব। তেওঁ প্ৰথমে আপীলকাৰী কানৱাল ৰামৰ এটা মন্তব্যৰ কথা উল্লেখ কৰিছিল যত কুবজাৰ সৈতে কানৱালৰামৰ যৌন সম্পৰ্ক আছিল। এইটো সঁচাহলেও আমি সম্পূৰ্ণৰূপে সন্মত হ'বলৈ অক্ষম যে কুবজাৰ সৈতে তেওঁৰ বিবাহটো প্ৰমাণ কৰিব। তাৰ পিছত কুবজা আৰু আন সকলৰ বিৰুদ্ধে সাধৰামৰ দ্বাৰা দাম্পত্য অধিকাৰ পুনৰুদ্ধাৰৰ বাবে দাখিল কৰা আবেদনৰ উত্তৰত বিজ্ঞ ন্যায়িক আয়ুক্তজনে কুবজা, হীৰানন্দ আৰু হিৰোৱে কৰা এক বিবৃতিৰ ওপৰত নিৰ্ভৰ কৰিছিল, য'ত কোৱা হৈছিল যে কুবজাই সাধৰামৰ সৈতে বিবাহ ভংগ হোৱাৰ পিছত কানৱাল ৰামক বিয়া কৰাইছিল। এতিয়া এই ব্যক্তিসকলৰ দ্বাৰা দ্বিতীয় বিবাহ স্বীকাৰ কৰা বিবৃতিটো নিশ্চিতভাৱে 'কানৱালৰাম আৰু কূবজাৰ বিবাহৰ প্ৰমাণ নহয়; তেওঁলোকে সেইটো কৰিব পৰা নাছিল। আমি ও নাভাবো যে কুবজাৰ বিৰুদ্ধে ই বিবাহৰ প্ৰমাণ। প্ৰথমে, এইটো এটা স্বীকাৰ বুলি ধৰি ললে গোটেই নথিখন সামগ্ৰিকভাৱে পঢ়িব লাগিব আৰু ই কুবজাৰ প্ৰথম বিবাহ ভংগ হোৱাটো প্ৰমাণ কৰিব যি দ্বিতীয় বিবাহক স্বীকৃতি দিব। দ্বিতীয়তে, এইটো স্পষ্ট যে আইনত এনেধৰণৰ স্বীকাৰ দ্বিতীয় বিবাহ হোৱাৰ প্ৰমাণ নহয়। এটা দ্বি-বিবাহ গোচৰৰ ক্ষেত্ৰত, দ্বিতীয় বিবাহৰ তথ্য হিচাপে, বিবাহ অনুষ্ঠানত পালন কৰিব লগীয়া ৰীতি-

নীতিবোৰ প্ৰমাণ কৰিব লাগিব: এমপ্ৰেছ বনাম পীতাম্বৰ সিং(২)), এমপ্ৰেছ বনাম কাল্লু(৩)আৰ্কবোল্ড ক্ৰিমিনেল প্লীডিং ইভিদেন্স এনদ প্ৰেক্টিছ (৩৫ত ম সম্পাদনা)অনুচ্ছেদ ৩৭৯৬। কাল্লু(৩)  আৰু মৰিছ বনাম তমিলাৰ (৪)ত এইটো ধাৰণা কৰা হৈছে যে ব্যভিচাৰ বা দ্বি-বিবাহ গোচৰৰ ক্ষেত্ৰত অভিযুক্তৰ দ্বাৰা বিবাহ স্বীকাৰ কৰাটো বিবাহ প্ৰমাণৰ এটা তথ্য নহয়। লগতে আৰ্কবোল্ড ক্ৰিমিনেল প্লীডিং এভিদেন্স এন দপ্ৰেক্টিচৰ (৩৫তম সম্পাদনা)অনুচ্ছেদ ৩৭৮১ চাওক।  গতিকে আমি ভাবিবলৈ অক্ষম যে কুবজাৰ লিখিত বক্তব্যই কানৱাল ৰামৰ সৈতে তেওঁৰ বিবাহ প্ৰমাণ কৰাৰ দিশত কোনো ধৰণৰ সহায় আগবঢ়ায়।

উত্তৰদাতাৰ বিদ্বান পৰামৰ্শদাতাই আৰ. বনাম ৰবিনচন (১) গোচৰৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰিছিল যত ৰবিনছনে (১) তেওঁৰ যুক্তিৰ সমৰ্থনত কৈছিল যে নিৰ্দিষ্ট ধৰণৰ বিবাহৰ বাবে প্ৰয়োজনীয় সকলো ৰীতি-নীতিৰ অনুষ্ঠান পালন কৰা হৈছে বুলি প্ৰমাণ কৰাৰ প্ৰয়োজন নাই। আমি নাভাবো যে গোচৰটোৱে সেই প্ৰস্তাৱটো সমৰ্থন কৰে। তাত দ্বিতীয় বিবাহ স্কটিছ ৰীতি অনুসৰি সকলো প্ৰয়োজনীয় আনুষ্ঠানিকতা পালন কৰি সম্পন্ন কৰা হৈছিল। অৱশ্যে দেখা গৈছিল যে সেই ধৰণৰ বিবাহ এখন ৰখাত সক্ষম হ'বলৈ ইয়াৰ এটা পক্ষই স্কটলেণ্ডত একৈশ দিন থাকিব লগা হৈছিল যিটো সেই ক্ষেত্ৰত দ্বিতীয় বিবাহৰ কোনো পক্ষই কৰা নাছিল। সেয়েহে, এইটো ধাৰণা কৰা হৈছিল যে উক্ত বিবাহ বৈধ নহয় আৰু সিদ্ধান্তটো আছিল যে বিবাহৰ এই অবৈধতাই দ্বি-বিবাহৰ দায়বদ্ধতাক প্ৰভাৱিত নকৰে। ৰায়টোৱে আঙুলিয়াই দিছিল যে পূৰ্বৱৰ্তী বিবাহে সদায় দ্বিতীয় বিবাহক অবৈধ ঘোষণা কৰে। আৰ বনাম এল্লেন(২)ৰ গোচৰত উল্লেখ কৰা হৈছিল যে দ্বি-বিবাহৰ অপৰাধত দ্বিতীয় বিবাহত চুক্তি হোৱাৰ অৰ্থ হৈছে কেৱল আন এজন ব্যক্তিৰ সৈতে বিবাহৰ নীতি-নিয়মৰ অনুষ্ঠানৰ মাজেৰে যোৱা। ইয়াত দেখা গৈছিল

যে পক্ষবোৰে গ্ৰহণ কৰা পথটো আইনৰ দ্বাৰা স্পষ্টভাৱে স্বীকৃত হৈছিল যি বৈধ বিবাহ এখন প্ৰস্তুত কৰিবলৈ সক্ষম। বিয়াখনত স্কটলেণ্ডত  একৈশ দিনৰ বাবে বসবাস কৰাৰ প্ৰয়োজনীয় চৰ্তৰ দৃষ্টান্ত অনুপস্থিত থকাৰ বাবে অবৈধ ঘোষণা কৰা হৈছিল যদিও আদালতে দ্বি-বিবাহৰ বাবে দোষী সাব্যস্ত কৰাটো বজাই ৰাখিছিল। এই ঘটনাটোৱে দেখুৱাই নিদিয়ে যে যদি বৈধ বিবাহ সৃষ্টি কৰাৰ বাবে প্ৰয়োজনীয় আনুষ্ঠানিকতা পালন কৰা নহ'লহেঁতেন, তেন্তে দোষী সাব্যস্ত হ'লহেঁতেন। প্ৰকৃততে লোখাণ্ডেৰ গোচৰৰ ক্ষেত্ৰত(৩) এই ন্যায়ালয়ে ইয়াৰ বিপৰীতে সিদ্ধান্ত লৈছিল। সেয়েহে, আমি ভাবো যে আপীলৰ অনুমতি দিব লাগিব আৰু সেই অনুসৰি আদেশ দিব লাগিব। আপীলকাৰীসকলৰ দোষী সাব্যস্ত হোৱা ৰায় বাতিল কৰি তেওঁলোকৰ জামিন বণ্ড বাতিল কৰা হয়।

আপীলৰ অনুমতি দিয়া হল।

*অনুবাদক- বিতাবি মহন্ত, অধিবক্তা*

*পৰীক্ষক- প্ৰণৱ জ্যোতি বৰা, জ্যেষ্ঠ অনুবাদক*